অসম চৰকাৰ

জিলা আয়ুক্তৰ কাৰ্য্যালয়;;;;;;;;;মৰিগাঁও;;;;;;;;;;অসম

E-mail;-districtcommissionermorigaon@gmail.com Tel-03678/2402250

নং-এম আৰ এফ.৪/২০০৫/পিটি/ তাং-১৭/০২/২০২৫

# জাননী

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হয় যে মৰিগাওঁ জিলা অন্তৰ্ভূক্ত নিম্নোক্ত মীন সমূহ / মীন মহলৰ বিপৰীতে উল্লেখ কৰা সময়ৰ বাবে নিবিদা যোগে নিলামৰ কাৰণে জিলা আয়ুক্ত কাৰ্য্যালয়ত ইং-২৮/০৭/২০২৫ তাৰিখে দিনৰ ১১ বজাৰ পৰা ২ বজালৈ নিম্ন স্বাক্ষৰকাৰী কাৰ্য্যালয় কক্ষত নিবিদা আহ্বান কৰা হৈছে আৰু সেই দিনাই নিবিদা খোলা হব । কোনো কাৰণত উক্ত দিন বন্ধ ঘোষিত হলে তাৰ পৰবৰ্তী খোলা দিনত নিবিদা গ্ৰহণ তথা খোলা হব। যি সকল লোকে নিবিদা দাখিল কৰিবলৈ ইচ্ছুক কৰে তেখেত সকলক উক্ত তাৰিখত আৰু সময়ত নিবিদা দাখিল কৰিবলৈ জনোৱা হল।

তলত দিয়া স্বৰ্ত্ত সাপেক্ষে মীন মহল বন্দোবস্তি দিয়া হব:-

১) মাছমৰীয়া লোকৰ দ্বাৰা গঠিত সমবায়/ আত্ম সহায়ক গোট (NGO) আদিক যোগ্যতাৰ ভিত্তিত নিবিদা যোগে নিৰ্ব্বাচিত কৰি ৬০% শ্ৰেণীভুক্ত মীন মহল সমূহ ৭ বছৰৰ বাবে আবন্টন দিয়া হব।

২) এশ শতাংশ অনুসূচীত জাতি ও বৰাক উপত্যকাৰ মাইমল সম্প্ৰদায়ৰ প্ৰকৃত মাছ মৰীয়ালোক নতুবা অনুসূচীত জাতিৰ বৃত্তিত মাছমৰীয়ালোকেৰে গঠিত সমবায় সমিতি আৰু বৰাক উপত্যকাৰ সম্প্ৰদায়ৰ প্ৰকৃত মাছ মাৰীয়া লোক নতুবা অনুসূচীত জাতি, বৃত্তিত মাছ মৰীয়া লোক, আত্ম সহায়ক গোট (NGO) দিব পাৰিব। নিবিদাকাৰী সংশ্লিষ্ট মীন মহল খনৰ ওচৰ চুবুৰীয়া হব লাগিব।

৩) নিবিদা জিলা আয়ুক্তৰ কাৰ্য্যালয়তে নিৰ্দিষ্ট স্থান আৰু তাৰিখত গ্ৰহণ কৰা হব।

৪। ইচ্ছুক নিবিদাকাৰীয়ে ২৮/০৭/২০২৫ তাৰিখৰ দিনৰ ২.00 বজালৈ কাৰ্য্যালয় খোলা থকা সময়ত নিৰ্দ্ধাৰিত নিবিদা বাকচত জমা দিব পাৰিব । নিৰ্দ্ধাৰিত সময়ৰ পিছত কোনো নিবিদা গ্ৰহন কৰা নহব। নিবিদা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত প্ৰয়োজনীয় তথ্যপাতিসহ পূৰণ কৰি নিবিদাসহ তলত উল্লেখ কৰা প্ৰমান পত্ৰ সমূহ সংলগ্ন কৰি জমা দিব লাগিব ।

ক) বৰ্তমান মাছ ধৰাৰ অভিজ্ঞতাৰ প্ৰমাণ পত্ৰ ।

খ) জিলা আয়ুক্তৰ পৰা বাকীজাই মুক্ত প্ৰমান পত্ৰ ।

গ) অনুসূচীত জাতি/মাইমল সম্পদায়ৰ লোক হোৱাৰ প্ৰমাণ প্ৰত্ৰ ।

ঘ) ১০.০০ (দহ) টকাৰ ভাৰতীয় পোষ্টেল অৰ্ডাৰ/বেংক চেক/বেংক ড্ৰাফ্ট ।

ঙ) চৰকাৰৰ প্ৰথম নূন্যতম ধাৰ্য্যিত মূল্যৰ ১৫% ৰাজহ জমাদিয়া ধন হিচাবে কল ডিপজিত আকাৰত ।

চ) নিবিদাৰ প্ৰ-পত্ৰ খনৰ লগত ৮.২৫ টকাৰ ৰাজহ টিকট গাঠি দিব লাগিব ।

ছ) নিবিদাকাৰীৰ সংশ্লিষ্ট মীন মহলখনৰ ওচৰ চুবুৰীয়া আৰু দূৰত্বৰ প্ৰমাণ পত্ৰ ।

জ) সমবায় সমিতিৰ পঞ্জীয়ন প্ৰমাণ পত্ৰ ।

ঝ) সমবায় সমিতিৰ আয়কৰ বিভাগৰ PAN নম্বৰৰ ফটো কপি ।

ঞ) সমিতি আদিৰ হকে নিবিদা দিয়াৰ কৰ্তৃত্ব প্ৰাপ্ত ব্যক্তিৰ প্ৰত্যায়িত ফটো গাঠি দিব ।

ট) সমবায় সমিতিৰ বছৰেকীয়া Balance Sheet(২৩-২৪)আৰু লাভ লোকচানৰ হিচাপৰ কপি ।

ঠ) বৰ্তমান বৃত্তিত মাছমৰীয়া লোক/মীন বিভাগৰ ৰাজহ বাকী নথকা প্ৰমান পত্ৰ আয়ুক্ত কাৰ্য্যালয়ৰ পৰা ।

৫ । মুহৰযুক্ত বন্ধ খামৰ ওপৰত আবন্টন পাব বিচৰা মীনমহলৰ নাম উল্লেখ কৰিব লাগিব আৰু নিম্ন স্বাক্ষৰকাৰীৰ কাৰ্যালয়ত নিৰ্দ্ধাৰিত বাকচত জমা দিব লাগিব। নিবিদা বাকচ সেই দিনাই দিনৰ ৩.০০ বজাত খোলা হব ।

৬) নিবিদা সমূহ নিবিদাকাৰী নতুবা তেওঁলোকৰ প্ৰতিনিধিৰ উপস্থিতিতে নিবিদা গ্ৰহণ কৰাৰ সময় উকলি যোৱাৰ পিছত উক্ত দিনাই খোলা হব।

৭) নিৰ্বাচিত নিবিদাকাৰীয়ে প্ৰথম বছৰৰ নিৰ্দ্ধাৰিত মূল ৰাজহ ১৫ % ৰাজহ প্ৰথম কিস্তিৰ ৰাজহ হিচাবে প্ৰস্তাৱ আগবঢ়োৱাৰ দহ দিনৰ ভিতৰত আদায় দিব লাগিব। অন্যথা প্ৰস্তাৱ বাতিল হোৱা বুলি গন্য হব আৰু পিছত উপযুক্ত নিবিদাকাৰীলৈ প্ৰস্তাৱ দিয়া হব। তদুপৰি আমানতৰ ধন বাজেয়াপ্ত হব।

৮) বাৰ্ষিক ৰাজহ তলত দিয়াৰ দৰে কিস্তিত আদায় দিব লাগিব।

ক) ১৫% আমানতধন (১ম কিস্তি) ।

খ) ৩৫% (২য় কিস্তি)

গ) ২৫% (৩য় কিস্তি)

ঘ) ২৫% (৪থ কিস্তি)



৯) নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ৰাজহৰ কিস্তি আদায় দিব নোৱাৰিলে নিৰ্দ্ধাৰিত নিবিদাকাৰীৰ দায়িত্ব আৰু দায়বদ্ধতাত অনুজ্ঞা পত্ৰ বাতিল হব আৰু নিৰ্বাচিত নিবিদাকাৰীৰ আমানতৰ ধন বাজেয়াপ্ত কৰা হব। অথবা চৰকাৰে ইচ্ছা কৰিলে সেই নিবিদা বাতিল নকৰি বিলম্বৰ বাবে অতি বেছি এমাহৰ বাবে সময় দি বছৰি ২৫% সুত জৰিমনা আৰোপ কৰাৰ অধিকাৰ থাকিব। দীৰ্ঘম্যাদীত মীনমহলৰ বিপৰীতে জমা থকা আমানতৰ ধন মীনমহল অপৰিস্কাৰ কৰি ৰাখিলে বাজেয়াপ্ত মীনমহল পৰিস্কাৰ কৰা কামত চৰকাৰে ব্যৱহাৰ কৰিব পাৰিব।

১০)মীনমহলৰ পৰা ধৃত মাছৰ কিছু অংশ চৰকাৰৰ দ্বাৰা অনুমোদিত এজেন্টৰ ওচৰত অথবা নিৰ্দ্ধাৰিত স্থানত সময়ে সময়ে দিয়া নিৰ্দেশমতে বিক্ৰি কৰিবলৈ মহলদাৰ বাধ্য থাকিব।

১১)অনুজ্ঞাপ্ৰাপ্তীয়ে মীনমহলৰ মথাউৰি আৰু নলাৰ কোনো ক্ষতি কৰিব নোৱাৰিব নতুবা কোনো নতুন মথাউৰি বান্ধিব নোৱাৰিব বা নলা, খাৱৈ বনাব নোৱাৰিব বা বিলৰ পাৰ চৰকাৰৰ অনুমতি নোলোৱাকৈ ওখ কৰিব নোৱাৰিব। নতুবা কোনো বিস্ফোৰক প্ৰয়োগ কৰি বা কোনো বিষাক্ত পদাৰ্থ মাছ ধৰাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব আৰু মীনমহলৰ পৰা পানী সিঁচি বা মাছ ধৰাৰ বাবে কোনো পানী মেটেকা উদ্ভিদ ব্যৱহাৰ কৰিব নোৱাৰিব নতুবা মীনমহল ক্ষতি সাধন কৰিব পৰা কোনো কাৰ্য্য কৰিব নোৱাৰিব। মীন মহলত হোৱা নিকৰী (মোখনা) জাতীয় কোনো উদ্ভিদৰ ওপৰত অনুজ্ঞপ্ৰাপ্তীৰ অধিকাৰ নাথাকিব আৰু মীনমহলত হোৱা এনে জাতীয় উদ্ভিদ বিক্ৰী কৰা বা উঠোৱাৰ.

ব্যৱস্থা লোৱাৰ চৰকাৰৰ থাকিব। মীনমহল থনৰ দৈনিক ৰক্ষনাবেক্ষন, পৰিচাৰ্য্য কৰাৰ দায়িত্ব অনুজ্ঞাপ্ৰাপ্তীৰ হাতত থাকিব আৰু সেইমতে কৰিব লাগিব।

১২) মীনমহলত জৰীপ কাৰ্য্য চলোৱা আৰু মীনমহলত প্ৰবেশ কৰি তথ্যপাতি সংগ্ৰহ কৰা, পত্ৰীয়ণ বহী আৰু অন্যান্য যন্ত্ৰপাতি পৰীক্ষা কৰি প্ৰয়োজনবোধে মীনবিভাগৰ বিষয়াই জব্দ কৰিব পাৰিব। এই ক্ষেত্ৰত কিবা অনিয়ম ধৰা পৰিলে ৫০০.০০ টকা বা চৰকাৰে সময়ে সময়ে ধাৰ্য্য কৰা মতে জৰিমনা বিহিব পাৰিব। এই ক্ষেত্ৰত অনুজ্ঞাপ্ৰাপ্তীয়ে চৰকাৰক সকলো ধৰণৰ সহায় সহযোগিতা আৱশ্যক অনুযায়ী আগবঢ়াবলৈ বাধ্য থাকিব। এই সময়ত অনুজ্ঞাপ্ৰাপ্তীয়ে সীমাহীন উন্নয়নমূলক কাম কাজ চৰকাৰৰ অনুমতি সাপেক্ষে কৰিব পাৰিব।

১৩) অনুজ্ঞাপ্ৰাপ্তীয়ে বাৰ্ষিক আয়ৰ ১৫ শতাংশ ধন চৰকাৰৰ অনুমোদন সাপেক্ষে গুনগত মাছৰ পোনা প্ৰতিপালনকে ধৰি বিলৰ অন্যান্য উন্নয়নমূলক কামত ব্যয় কৰিব লাগিব। আনহাতে মীনমহলৰ পাৰত গছপুলি লগোৱাটো বাধ্যতামূলক হব। অনুজ্ঞাপ্ৰাপ্তীয়ে হাঁহ-কুকুৰা, ছাগলী আদি পালন ওপৰঞ্চি আয় বৃদ্ধি আৰু আদৰ্শগত মীনপালৰ বাবে কৰিব লাগিব।

১৪) প্ৰাকৃতিক দূৰ্যোগ, খৰাং বতৰ, বানপানী নতুবা মাছৰ বেমাৰ বা বলপূৰ্ব্বক ভাবে অন্যলোকে মাছ ধৰা, চুৰি হোৱা, বিষক্ৰিয়াৰ দৰে দুৰ্ঘটনাজনিত কোনো কাৰণত ৰাজহ দিব নোৱাৰাৰ আবেদন চৰকাৰে বিবেচনা নকৰিব ।

১৫) অনুজ্ঞাপ্ৰাপ্তীয়ে মাছ মৰা কাৰ্য্যত চৰকাৰৰ নীতি নিয়ম অনুসৰি অনুসূচীত জাতিৰ প্ৰকৃত মাছমৰীয়া/মাইমল সম্প্ৰদায়ৰ প্ৰকৃত মাছমৰীয়া লোকক নিয়োগ কৰিব লাগিব আৰু মাছমৰীয়া লোকৰ তালিকা চৰকাৰৰ ওচৰত লিখিতভাবে জনাব লাগিব।

১৬) অনুজ্ঞাপ্ৰাপ্তীয়ে প্ৰথম বছৰৰ ৰাজহৰ ১৫ শতাংশ ক'ল ডিপজিট যোগে নিবিদাসহ আমানত ধন হিচাবে জমা দিব লাগিব আৰু উক্ত আমানত ধন পিছত মোকলাই দিয়া হব যদিহে চুক্তিৰ সকলো চৰ্ত্তাৱলী পালন কৰে। এবছৰতকৈ অধিক সময়ৰ বাবে অনুজ্ঞাপ্ৰাপ্ত নিবিদাকাৰীৰ আমানত ধন দ্বিতীয় বছৰৰ আমানত বুলি গন্য কৰা হব। যদিহে দ্বিতীয় বছৰৰ বাবে মীনমহলখন চলোৱাৰ অনুজ্ঞাপত্ৰ পোৱাৰ বাবে নিৰ্বাচিত হয়। দ্বিতীয় বছৰৰ বাবে ধাৰ্য্যত নূন্যতম ৰাজহৰ ভিৰ্ত্তিত যদি শতকৰা ১৫ ভাগ হাৰে অতিৰিক্ত আমানত ধন প্ৰয়োজন হয় তেতিয়া অতিৰিক্ত আমানতৰ ধন খিনি প্ৰতি বছৰৰ মাৰ্চ মাহৰ ১৫ তাৰিখৰ আগতে ওপৰত উল্লেখ কৰা ধৰণে কলডিপজিট হিচাবে জমা দিব লাগিব। অনথা পৰবৰ্ত্তী বছৰৰ বাবে অনুজ্ঞাপত্ৰ বিবেচনা কৰা নহব। আমানত ধন কোনো কাৰণতেই ৰাজহৰ কিস্তিৰ লগত সংযোজন কৰা নহব। এই ধন মীনমহল ঠিকমতে পৰিচালনাৰ প্ৰমান সাব্যস্ত নহলে বাজেয়াপ্ত হব।

১৭) অনুজ্ঞাপ্ৰাপ্তীয়ে চুক্তিৰ কোনো চৰ্ত্ত উলংঘা কৰিলে চৰকাৰক জমা দিয়া আমানতৰ ধন বাজেয়াপ্ত হব তথা পৰৱৰ্ত্তী বছৰৰ বাবে অনুজ্ঞা পত্ৰ দিয়া নহয়। অকৃতকাৰ্য্য নিবিদাকাৰীক আমানতৰ ধন নিবিদা চুড়ান্ত হৈ যোৱাৰ পিচত ঘূৰাই দিয়া হব। দীৰ্ঘম্যাদী মীনমহলৰ বিপৰীতে জমা আমানাতৰ ধন মীনমহল অপৰিস্কাৰ কৰি ৰাখিলে বাজেয়াপ্ত কৰি মীনমহল পৰিষ্কাৰ কৰা

কামত চৰকাৰে ব্যৱহাৰ কৰিব পাৰিব আৰু ইয়াৰ বাবে চৰকাৰে অনুজ্ঞাপ্ৰাপ্তীৰ অনুজ্ঞা বাতিল কৰাৰ অধিকাৰ থাকিব। মীন মহলৰ পানী, কালি, মেটেকা আদি জলজ উদ্ভিদৰ পৰা পৰিস্কাৰ কৰা সাপেক্ষেহে পৰৱৰ্তী বচৰত পট্টন নবীকৰণ কৰা হব।

১৮) অনুজ্ঞাপ্ৰাপ্তীয়ে মীনমহলৰ ঘৰ, গছ গছনি, দমকল আদি সম্পত্তিৰ ওপৰত কোনো ধৰণৰ অধিকাৰ দাবী কৰিব নোৱাৰিব ।

১৯) অনুজ্ঞাপ্ৰাপ্তী আৰু চৰকাৰৰ মাজত বা অনুজ্ঞাপ্ৰাপ্তী আৰু কোনো তৃতীয় পক্ষৰ মাজত কোনো বিবাদ বা দাবী উত্থাপন হলে বিষয়টো নিষ্পত্তিৰ বাবে বিভাগৰ সঞ্চালকৰ সিদ্ধান্তৰ বাবে আবেদন কৰিব পাৰিব। সঞ্চালকৰ সিদ্ধান্তৰ ওপৰত সন্তোষ্ট নহলে, বিভাগীয় আয়ুক্ত/সচিবৰ বিবেচনাৰ বাবে আবেদন জনাব পাৰিব । এই ক্ষেত্ৰত আয়ুক্ত সচিবৰ সিদ্ধান্ত চূড়ান্ত হব।

২০) অনুজ্ঞাপত্ৰৰ ম্যাদৰ সময়ছোৱাৰ ভিতৰত চৰকাৰী মীনমহলৰ উন্নয়ন কৰাৰ অধিকাৰ থাকিব আৰু ইয়াৰ বাবে অনুজ্ঞাপ্ৰাপ্তীয়ে ৰাজহ ৰেহাইৰ দাবী/অধিকাৰ নাথাকিব আৰু উক্ত কামত বাধা দিব নোৱাৰিব।

২১) অনুজ্ঞাপ্ৰাপ্তীয়ে মীন মহলৰ মৎস্য উৎপাদন বৃদ্ধিৰ বাবে লোৱা ব্যৱস্থা আৰু লগতে মীন মহল থনত ধৃত মাছৰ আয় উৎপাদনৰ হিছাব প্ৰতিমাহে লিখিতভাবে চৰকাৰক জনাই থাকিব লাগিব।

২২) নিৰ্বাচিত নিবিদাকাৰীয়ে মীনমহল চলোৱাৰ অনুজ্ঞাপত্ৰ লোৱাৰ আগে আগে চৰকাৰৰ লগত চুক্তিবদ্ধ হব লাগিব। প্ৰতি বছৰে বেলেগে চুক্তিবদ্ধ হব লাগিব।

২৩) চৰকাৰে কোনো কাৰণ নদৰ্শোৱাকৈ যি কোনো নিবিদা গ্ৰহন বা প্ৰত্যাহাৰ কৰাৰ অধিকাৰ থাকিব আৰু চৰকাৰৰ সিদ্ধান্তই চুড়ান্ত সিদ্ধান্ত হব।

২৪) অনুজ্ঞাপ্ৰাপ্তীৰ কোনো বছৰৰ কাৰ্য্যপন্থা চুক্তি মতে সন্তোষ্টিজনক নহলে পৰবৰ্তী বছৰ বাবে অনুজ্ঞাপত্ৰ দিয়া নহব আৰু চৰকাৰে উচিত বিবেচনা কৰা যি কোনো ব্যৱস্থা লব পাৰিব।

২৫) অনুজ্ঞাপ্ৰাপ্তীয়ে মীনমহলত উন্নত প্ৰনালীৰে মাছ পোহাৰ ব্যৱস্থা কৰাটো বাধ্যতামূলক হব আৰু এই চৰ্ত ভঙ্গ কৰিলে চুক্তি ভঙ্গ কৰাটোহে সূচাব।

২৬) মুখ্য প্ৰজাতিৰ কাৰ্প মাছৰ বহুমূখী উৎপাদনৰ উদ্দেশ্যে জিলা মীন উন্নয়ন বিষয়াই নিৰ্দ্ধাৰণ কৰি দিয়া সংখ্যা আৰু অনুপাতিক হিচাবত বছৰত দুবাৰকৈ (আগষ্ট আৰু জানুৱাৰী মাহত) ১২৫ মিঃ মিঃৰ ওপৰৰ পোনা মীনমহলত মেলিব লাগিব।

২৭) মাছৰ প্ৰজাতিৰ সংৰক্ষণৰ বাবে মীন মহলৰ, পানীকালিৰ এক শতাংশ সংৰক্ষণ কৰিব লাগিব আৰু এই অংশত কোনো পৰিস্থিতিতেই বিলুপ্ত প্ৰায় প্ৰজাতিৰ মাছ মৰাকে ধৰি কোনো ধৰণৰ কাৰ্য্য সম্পাদন কৰিব নোৱাৰিব ।

২৮) নিবিদাত প্ৰস্তাৱ কৰা বিভিন্ন বছৰৰ ৰাজহৰ অনুপাতিক সামঞ্জস্য থাকিব লাগিব আৰু কোনো অসামঞ্জস্য ধৰণেৰে ৰাজহ প্ৰস্তাৱ কৰিলে চৰকাৰে নিবিদাকাৰীয়ে আগবঢ়োৱা সমুদায় ৰাজহৰ গড়ভিত্তিত বাৰ্ষিক ৰাজহ নিৰ্দ্ধাৰণ কৰি প্ৰস্তাৱ দিয়াৰ অধিকাৰ থাকিব।

২৯) অনুজ্ঞাপ্ৰাপ্তীয়ে নিয়োজিত মাছমৰীয়াৰ সামাজিক নিৰাপত্তাৰ বাবে বীমা কৰাটো বাধ্যতামূলক হব।

৩০) অনুজ্ঞাপ্ৰাপ্তীয়ে কোনো ক্ষেত্ৰতেই মাছমৰীয়াক মূঠ ৫০ শতাংশ আয় কম দিব নোৱাৰিব।

৩১) মাছ মৰাৰ ক্ষেত্ৰত বৃত্তিত মাছমৰীয়া স্থানীয় লোকক নিয়োগ কৰিব লাগিব। বাহিৰৰ লোক নিয়োগ কৰিব নোৱাৰিব ।

৩২) অনুজ্ঞাপ্ৰাপ্তীয়ে কিস্তিৰ ৰাজহ নিৰ্ধাৰিত সময়ত আদায় নিদিলে চৰকাৰে Bengal Public Demand Recovery Act. 1913 ৰ অধীনত বাকী ৰাজহ আদায় কৰাৰ ব্যৱস্থা লব পাৰিব। তদুপৰি, বাকী ৰাজহ আদায়ৰ বাবে চৰকাৰে উচিত বিবেচনা কৰা যি কোনো আইনগত ব্যৱস্থা লোৱাৰ অধিকাৰ থাকিব।



৩৩) অনুজ্ঞাপ্ৰাপ্তীয়ে মীন মহল পৰিচালনা কৰি থকা সময়ছোৱাত মীনমহল খন যদি চৰকাৰে উন্নয়ন কৰে তেতিয়া উন্নয়ন সম্পূৰ্ণ কৰাৰ তৃতীয় বছৰৰ পৰা বৈজ্ঞানিক ভিত্তিত মৎস্য পালন কৰিব পৰা মীন মহলৰ অংশৰ পৰা প্ৰতি হেক্টৰত ৫০০ কেজি আৰু মীনমহলৰ বাকী অংশ প্ৰতি হেক্টৰত ২০০ কেজি উৎপাদনৰ হাৰ ধৰি লৈ সেই সময়ত মীনমহলৰ পাৰৰ ওপৰত ভিৰ্তি কৰি সেই বছৰৰ ৰাজহ নিৰ্ধাৰিত কৰাৰ লগতে পৰৱৰ্তী বছৰত শতকৰা ১০ ভাগ চক্ৰবৃদ্ধি হাৰত ৰাজহ বৃদ্ধি কৰা হয় আৰু অনুজ্ঞাপ্ৰাপ্তীয়ে উক্ত ধৰণে নিৰ্দ্ধাৰণ কৰা ৰাজহ দিবলৈ বাধ্য থাকিব লাগিব। অন্যথাই চৰকাৰে অনুজ্ঞাপত্ৰ বাতিল কৰি বিকল্প ব্যৱস্হা লোৱাৰ অধিকাৰ থাকিব।

| বন্দোবস্তী দিবলগা মীন মহলৰ নাম | কোন পৰ্য্যায়ত অন্তভূক্ত | আগৰ বছৰৰ বাৰ্ষিক মীন ৰাজহৰ পৰিমান | কোন তাৰিখৰ পৰা বন্দোৱস্তী হব |
| --- | --- | --- | --- |
| ১৬৫/১৬৬/১৬৭/১৬৮ পুৰনা সোনাই/সলা/গৰঙ্গা/সোক ৰাজ মীন মহল । | ৬০% | ২,৫১,৬২২/- | চৰকাৰৰ বন্দোৱস্তী দিয়া হুকুমৰ সময়ৰ/তাৰিখৰ পৰা ৭ বছৰৰ বাবে । |

জিলা আয়ুক্ত,
মৰিগাঁও।

\এম আৰ এফ.৪/২০০৫/পিটি/ তাৰিখ -১৭/০২/২০২৫.

ইয়াৰ প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বিহিতাৰ্থে প্ৰেৰণ কৰা হল :-

১। আযুক্ত, মধ্য অসম সংমণ্ডল, নগাঁও ।

২। সচিব মীন বিভাগ, দিশপুৰ (অসম) ।

৩। উপাযুক্ত, নগাওঁ/কামৰূপ মেট্ৰ/কামৰূপ /শোনিতপুৰ/হোজাই/কলিয়াবৰ জিলা।

৪। মূখ্য কাৰ্য্যবাহী বিষয়া, জিলা পৰিষদ, মৰিগাওঁ ।

৫। চক্ৰ বিষয়া মৰিগাঁও/মায়ং/মিকিৰভেটা/লাহৰিঘাট/ভূৰাগাওঁ ৰাজহ চক্ৰ ।

৬) জিলা তথ্য প্ৰযুক্তি বিষয়া আৰু কাৰিকৰী পৰিচালক,জিলা তথ্য কেন্দ্ৰ মৰিগাঁও,websiteত প্ৰচাৰৰ বাবে জনোৱা হ

৭) জিলা মীন উন্নয়ন বিষয়া, মৰিগাওঁ ।

৮) সমবায় সমূহৰ সহকাৰী পঞ্জীয়ক মৰিগাওঁ ।

৯) মৰিগাওঁ জিলাৰ সকলো খণ্ড উন্নয়ন বিষয়া ।

১০) জিলা তথ্য ও জনসংযোগ বিষয়া মৰিগাওঁ ।

১১) সকলো মীন মহলৰ মহলদাৰলৈ ।

১২) উপাযুক্ত কাৰ্য্যালয়ৰ জাননী ফলক।

জিলা অতিৰিক্ত আয়ুক্ত,
মৰিগাঁও।